# বেৰিয়াঞ্চেৰ দৰে ঈশ্বৰৰ বাক্য বিচাৰক

# ঈশ্বৰৰ বাক্য কিদৰে অধ্যয়ন আৰু প্ৰয়োগ কৰিব লাগে শিকক

**ল'ৰা-ছোৱালীবিলাকক শিকোৱাসকলে B2b পাঠ্য পঢ়া উচিত**

**প্ৰাৰ্থনা ঃ** "স্বৰ্গত থকা আমাৰ পিতৃ, আপোনাৰ বাক্য সঠিকভাৱে ব্যাখা কৰিবলৈ আৰু আমাৰ হৃদয়ত ৰাখি থ'বলৈ সহায় কৰক।"



বৰ্ত্তমান প্ৰয়োজনীয়তা আৰু নীতি নিয়মৰ লগত খাপ খোৱা কামবোৰ বাচি লওক।

২। **ঈশ্বৰৰ বাক্যৰ দ্বাৰাই আপোনাৰ মন আৰু হৃদয় যুগুত কৰি লওক।**

বেৰিয়াঞ্চে শুভবাৰ্ত্তালৈ কেনেকৈ দুই ধৰণে সঁহাৰি জনাইছে, পাঁচনিৰ কৰ্ম্ম ১৭ঃ১০-১২ পদত চাওক।

ঈশ্বৰৰ সত্যতাই আমাৰ জীৱনত বিভিন্ন বিষয়বোৰ উৎপন্ন কৰা উচিত, ১ পিতৰ ১ঃ১৪-২২ পদত চাওক।

ঈশ্বৰৰ বাক্য আমাৰ লগত কিমানদিন থাকিব, ১ পিতৰ ১ঃ২৪-২৫ পদত চাওক।


পৌলে তীমথিয়লৈ কি লিখিছিল, ২ তীমথিয় ৩ঃ১০-১৭ পদত চাওক।

- পৌলৰ জীৱনত তীমথিয়ে কি লক্ষ কৰিছিল, যিহে তীমথিয়ক মূল্যবান শিক্ষাবোৰ দিছিল। **১০-১৩** *পদকেইটা চাওক।*
- শিশুকালৰে পৰা তীমথিয়ে কি জানিছিল, যিহে যীচুত বিশ্বাস ৰাখিয়েই উদ্ধাৰ যে পাব পাৰি এই কথাত তেওঁ নিশ্চিত হৈছিল? ***১৪-১৫** পদকেইটা চাওক।*
- বাইবেল শাস্ত্ৰ লিখা মানুহবিলাকক কোনে অনুপ্ৰেৰণা যোগাইছিল? **১৬** *পদটি চাওক।*
- আনক সহায় কৰিবলৈ হ'লে বাইবেলখন আমি কিদৰে ব্যৱহাৰ কৰা উচিত? **১৬** *পদটো পুনৰায় চাওক।*
- কি কাৰণে আমি তেওঁৰ বাক্য অধ্যয়ন কৰা আৰু প্ৰয়োগ কৰাটো ঈশ্বৰে বিচাৰে? **১৭** *পদটো চাওক।*

ডেকা মেৰ-ৰখীয়াজনৰ বিভিন্ন কামবোৰ ২তীমথিয় ৪ঃ১-৫ পদকেইটিত চাওক ২ আৰু ৫ পদ চাওক।

২। **সপ্তাহটোত কৰিবলগীয়া কামবোৰৰ বিষয়ে সহকৰ্ম্মী সকলৰ সৈতে আঁচনি কৰক।**

- বিশ্বাসীসকলৰ ঘৰ পৰিদৰ্শন কৰি তেওঁলোকক নিজে নিজে বাইবেল অধ্যয়ন কৰা কথাত সহায় কৰক। উদাহৰণ ঃ
- সমাজৰ সৰু সৰু দলবোৰ আৰু পৰিয়ালবোৰক একেলগে বাইবেল অধ্যয়ন কৰিবলৈ সহায় কৰক।
- তেওঁলোকে অধ্যয়ন কৰি কি শিকিলে সেই বিষয়ে ইজেন-সিজনক প্ৰশ্ন কৰিবলৈ তেওঁলোকক উদ্‌গনি দিয়ক।
- প্ৰত্যেক সপ্তাহতে কেইবাটাও পদ মুখস্থ কৰিবলৈ বিশ্বসীসকলক সহায় কৰক।



**৩। হ'বলগীয়া উপাসনাৰ সময়ৰ বিষয়ে সহকৰ্মীৰ সৈতে আলোচনা কৰক।**

ঈশ্বৰে তেওঁৰ পবিত্ৰ আত্মাৰ শক্তিৰ দ্বাৰাই তেওঁৰ বাক্যৰ যোগেদি আমাক কথা ক'বলৈ আৰু আমি যি শুনিলো তাত তেতিয়াই কাৰ্য্যক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ যেন সহায় কৰে, তাৰ বাবে প্ৰাৰ্থনা কৰক।

পাঁচনিৰ কৰ্ম্ম ১৭ঃ১০-১২ পদ পঢ়ক।

- প্ৰথমতে, সকলোকে মনদি শুনিবলৈ কওক, আৰু বেৰিয়াঞ্চে কেনেকৈ শুভবাৰ্ত্তা লৈ সঁহাৰি জনাইছিল, সেই কথা আৱিষ্কাৰ কৰক।
- বেৰিয়াঞ্চসকলৰ দৰে আমিও ঈশ্বৰৰ বাক্য পৰীক্ষা কৰি চোৱা উচিত এই কথাটো বুজাই দিয়ক।

নিষ্ক্ৰিয়তাৰে শুনাতকৈ, কৰ্ম্মেৰে ইয়াৰ সোনখিনি খান্দি উলিওৱাহে উচিত। আমি আমাৰ নিজৰ ফালৰ পৰাই সেই বাক্য আগ্ৰহেৰে অনুসন্ধান কৰিবলৈ আৰম্ভ কৰা উচিত। আমাক সহায় কৰিবলৈ ইয়াতে কেইটামান কাৰ্য্যব্যৱস্থা দিয়া হৈছে।

বাইবেলে নিজেই কেনেকৈ কথা কয় সেই বিষয়ে বুজাই দিয়ক। পথ দেখুৱাই দিবলৈ প্ৰাৰ্থনা কৰাৰ পিচত চাৰিটা কাম কৰক -

১।প্ৰত্যেকটো শব্দ আৰু বাক্যাংশ লৈ শাস্ত্ৰাংশখিনি বহলাই বুজাই দিয়ক।

২।যদি অৰ্থটো ভালকৈ বুজি নাপায়, শাস্ত্ৰাংশখিনিৰ প্ৰসঙ্গ আৰু দৃশ্যপটখিনি ভালকৈ অনুসন্ধান কৰি লওক।

- কালৈ লিখা হৈছিল?
- কোনে আৰু কিয় লিখিছিল?
- ইয়াৰ আগত আৰু পিচত থকা পদ বা অধ্যায়বোৰে কি অৰ্থ স্পষ্ট কৰি দিছে ?
- বুৰঞ্জীমূলক ঘটনানো কি?
- স্ৰকতিয়া ইয়াক লিখা হৈছিল?

  (যদি পুৰণি চুক্তিমতে খ্ৰীষ্ট অহাৰ আগতে লিখা হৈছিল, তেনেহ'লে নতুন নিয়ম অনুসৰি আপোনাৰ সমাজত প্ৰযোজ্য নোহোৱা সেই পৌৰাণিক ইস্ৰায়েল সকলৰ বাবে থকা বিধিবোৰ বিচাৰি পাবলৈ আশা কৰিব লাগিব।)
- এই শাস্ত্ৰাংশত ঈশ্বৰে আমাক কি কৰিবলৈ কৈছে?

**অপৰিহাৰ্য্য ঃ**

৩।এইবোৰ বৰ্ণনাৰ পৰা প্ৰধান সত্যবোৰ আৰু প্ৰয়োগবোৰ উলিয়াই লওক।

৪।আপুনি যি বিচাৰি পাইছে তাক অভ্যাসত পৰিণত কৰক।

**বাইবেল আমাক** দিয়াৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰক।

ঈশ্বৰৰ বাক্য অধ্যয়ন কৰি বিশ্বাসীসকলে কেনেকৈ আশীৰ্বাদপ্ৰাপ্ত হৈছে সেই বিষয়ে তেওঁবিলাকৰ পৰা সাক্ষ্য আৰু প্ৰতিবেদন বিচাৰক।

## বাইবেল ব্যাখা বিষয়ক নাটিকা

**পৰম্পৰা ঃ** ক্ষন্তেক সময় ন'বিশ্বাসীজনে বাইবেল এখন পঢ়ি থকাটো লক্ষ্য কৰি আছে তাৰ পাচত সেইখন কাঢ়ি লৈ গ'ল। কোৱা, "তুমি নিজে শাস্ত্ৰৰ কথা বুজি নাপাবা। তাৰ সলনি তুমি পঢ়িবলৈ এইখন নতুন কিতাপ।

**মিঃ ন বিশ্বাসী ঃ** তোমাৰ কামিজৰ তলৰ পৰা আন এখন বাইবেল উলিয়াই আনক, কোৱা "নহয়, তোমাৰ কিতাপবোৰ থৈ দিয়া। মই ঈশ্বৰৰ বাক্যবোৰ অধ্যয়ন কৰি, মনত ৰাখি আৰু মানি চলাৰ দ্বাৰাই হৃদয়ত লুকুৱাই থৈছো। গতিকে মই এইটো জানো যে আন কোনো কিতাপে দিব নোৱাৰা সেই জীৱন, পবিত্ৰ আত্মাই বাইবেল ব্যৱহাৰ কৰি মোক দিছে।"

**মিঃ পৰম্পৰা ঃ** "কেৱল যিসকল পুৰোহিতে পুৰণি নথি-পত্ৰবোৰ ব্যাখা কৰাৰ আধুনিক পদ্ধতিবোৰ অধ্যয়ন কৰিছে তেওঁলোকেহে এইটো বুজি পায়।

**মিঃ ন বিশ্বাসী ঃ** "আমাৰ দল ৰক্ষীয়াই আমাক এইদৰে শিকাইছে যে, আমি যদি প্ৰাৰ্থনা কৰো আৰু ব্যাখাৰ সাধাৰণ নিয়মবোৰ পালন কৰি চলো, যিকোনো বিশ্বাসীয়ে ঈশ্বৰৰ বাক্য বুজি পাব পাৰে।"

ল'ৰা-ছোৱালীবিলাকক তেওঁলোকে যুগুত কৰা কবিতা ক'বলৈ আৰু নাটক কৰিবলৈ দিয়ক। ল'ৰা-ছোৱালীবিলাকে তেওঁলোকৰ নাটকখনৰ বিষয়ে যুগুত কৰা প্ৰশ্নবোৰ ডাঙৰ সকলক সুধিবও পাৰে।

পৰিয়ালবোৰে আৰু সৰু সৰু দলবোৰে সপ্তাহটোৰ ভিতৰত বাইবেল অধ্যয়ন কৰিবলৈ যিবোৰ কাম ঠিক কৰি থৈছে সেইবোৰ জনাই দিয়ক।

দুই বা তিনিজনীয়া দল হৈ ইজনে সিজনক সহায় কৰক। প্ৰাৰ্থনা কৰক, পৰিকল্পনাবোৰ নিশ্চিত কৰক আৰু ইজনে সিজনক উদ্‌গনি দিয়ক।

প্ৰভুৱে শিকোৱা প্ৰাৰ্থনাটো পৰিচয় কৰি দিবৰ বাবে, যাত্ৰাপুস্তক ১২ অধ্যায় ৩, ৭-৮ আৰু ১২ পদ কেইটা পঢ়ক। প্ৰথম নিস্তাৰ পৰ্ব্বৰ বিষয়ে খুব সংক্ষেপে বুজাই দিয়ক, যি ভোজ, এটি অতি পবিত্ৰ অনুষ্ঠান স্থাপন কৰি যীচুৱে এটি নতুন অৰ্থ সংযোগ কৰিছিল। ঈশ্বৰৰ মেৰ, প্ৰভু যীচুৱে আমাক পাপ আৰু মৃত্যুৰ পৰা উদ্ধাৰ কৰিবৰ উদ্দেশ্যে নিজকে উৎসৰ্গা কৰিলে।

একেলগে মুখস্থ কৰক ২ তীমথিয় ৩ঃ১৬-১৭ পদ।



Copyright 2003 © by Paul-Timothy. May be freely copied.
Download from www.Paul-Timothy.net